অময়া

মহেশ গোস্বামী

পাঁচ সিকি ।

অময়া।

মহেশ চন্দ্র দেব গোস্বামী

GOVERNMENT OF ASSAM.
Call No...............
DISTRICT LIBRARY.

পাঠচক্র—
নগাওঁ।

প্ৰকাশক :—
"পাঠচক্ৰ"
পোঃ হয়বৰগাওঁ,
নগাওঁ—অসম ।

প্ৰথম প্ৰকাশ—
কাতি
৫০০ শ্ৰীশঙ্কৰাব্দ ।
বেচ— ১৷০

ছপাশাল—
সূৰ্য্যপ্ৰেছ—নগাওঁ ।
প্ৰিণ্টাৰ— শ্ৰীকালীমোহন বৰুৱা

একাষাৰ ।

গান শুনিলে বোলে সাপো তবধ হৈ ৰয়; মই গান ভাল নেপাওঁ বুলিলে কোনোবাই সাপতকৈও বিষাক্ত বুলি ক'ব । কিন্তু শুনি ভাল পোৱা আৰু গাই ভাল পোৱা— কথা দুটাৰ পাৰ্থক্য বহুত । সঙ্গীতৰ 'স'টোও যে নাজানো, সেইটো কৈ থোৱাত একো লাজ নাই ।

ছিলঙত থাকোঁতে সুগায়ক শ্ৰীযুত ধীৰেন দাসৰ লগত পৰিচয় হয়— আৰু তেওঁ প্ৰায়েই গান গাই শুনায় । পিছত গৈ দাবী কৰে গান লিখি দিব লাগে । জেওৰা খৰি চেপিলে ৰস ওলাব পাৰে কিন্তু মোৰ গান নোলায় ! তথাপি "মোৰ গোকুলত আজিনো হঠাতে বাজে কি বাঁহী মধুৰ সুৰে" বুলি গান এটা লিখি দিলোঁ । তেতিয়াৰ পৰা তেওঁ পিছ নেৰা হল ।

আকৌ লাগিল কলিকতাৰ শ্ৰীমান দিলীপ শৰ্ম্মা । এই দুজনৰ তাড়নাত গান কিছুমান লিখি দিলোঁ ।

ৰেডিঅ' কেন্দ্ৰ হ'ল— গান লগা হ'ল । কেবা ঠাইৰো পৰা দাবি আহিল— গান লাগে । বিশেষকৈ ওপৰোক্ত দুজন আৰু আমাৰ কলেজৰ

ছাত্ৰী শ্ৰীমতী নীলিমা ভূঞা আৰু শ্ৰীমতী মায়া বৰুৱাই গান বিচাৰি মোক অতিষ্ঠ কৰি তুলিলে । লগতে মোৰ বাইদেউ শ্ৰীযুতা অৰুণা দেবীলৈ গান নপঠোৱাত পতা ঠেহ'টোৱেও মোক আৰু কেটামান গান লিখিবলৈ বাধ্য কৰিলে ।

এনেকৈ প্ৰায় বাধ্য বাধকতাত পৰিয়েই গান বুলি ছন্দ কিছুমান লিখিলোঁ । কেটামান গানৰ ৰেকৰ্ডো হল— ৰেডিঅ'তো কোনো কোনোৱে গাইছে

গান খুজি পঠোৱা চিঠিৰ উত্তৰ বা বাৰে বাৰে গান নকল কৰা মোৰ সময় আৰু পৰিশ্ৰম খিনিৰ লাঘৱ কৰিবলৈ কিছুমান গান এই খনত ছপাই থলোঁ ।

এই খিনিতে গান লিখিবলৈ আৰু প্ৰকাশ কৰিবলৈ সদায় উৎসাহ দি থকা সঙ্গীতজ্ঞ শ্ৰীযুত পুৰুষোত্তম দাস আৰু মিঃ উদ্বেতুৰ লতিফ বৰুৱাক ধন্যবাদ নজনাই নোৱাৰিলোঁ ।

শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী

১ চেপ্তেম্বৰ'৪৮ । নগাওঁ, অসম

অনন্যা ১

দীন অন্তৰে ডাকোঁ কৃষ্ণৰ নাম
অঙ্গ ৰতন ৰাজি শোভে তনু ঘনশ্যাম ।
আহা বনমালী ধেনুধনচাৰী
আহা পীতবাস মোহন মুৰাৰি ।
সৰ্ব জন দুৰ্লভ বন্দো ভকতে গাই হৰি নাম

মাগোঁহো অৰবিন্দ চৰণৰ তলে,
ভকতি সুধাৰস পিওঁ শতদলে,
ভৱ-ভয়-ভঞ্জনকাৰী
হোৱা হৃদিস্থিত কল্মষহাৰী ।
প্ৰভুৰ পৰশনে শুদ্ধ হোৱক ভজোঁ হৰি নাম

২

গগন পৱন মন শ্যামল সাজে
শাৰদ নিশা তাৰে গৰ্জন গাজে ।
চাৰু বিজুলী পাত যমুনা তীৰে
দেখি পীতকায় কৈছে কাকে
"প্ৰিয় ঘনশ্যাম শঙ্খ বজায়ে
দূৰত ৰঙ্গে অঙ্গ ৰাজে ।"

৩

আজি বাহিৰে বৰষে মূষল ধাৰে
শত জনমৰে ব্যথিত হিয়াৰে
গোপন বেদনা অজানে উজাৰে,
মোৰ সুপিত অন্তৰ দুৱাৰে—
গৰজে বৰষা আজি মূষল ধাৰে ॥

৪

মাধুৰী ভাঁহিছে বীণে বীণে সুৰে সুৰে,
বাউলী হিয়াই তাৰেনো ভাবতে বৰে !
মুকুল মোদিত মোৰ যৌৱন-বনে
লাহৰী পখিলী ঝাঁৰে ঝাঁৰে উৰি ফুৰে ॥
বুকুৰ বোলেৰে সচকিত দুনয়নে
নিছিগা সোঁতৰ চাৱনিয়ে হিয়া জুৰে ।
মুকুল উপচি মাধুৰী বাগৰে ধাৰে,
হিয়াক হিয়াই চুমাৰে দুনাই পূৰে ॥

৫

উঠা উঠা প্ৰিয়ে নিশা হল অৱসান,
নবীন অৰুণে ৰাজিছে ধৰণী
বলিছে বাৰিষা মলয়া ফাগুনী
এৰি দিয়া আক বাহুৰ শাসন ॥

সপোনত ৰচা মিলনৰ গান
দিঠকত গায় প্ৰকৃতিয়ে আজি
মুঞ্জৰি উঠে অগণিত প্ৰাণ
আঁহা প্ৰিয়ে শুনো দুয়ো পাতি কাণ ॥

ছন্দে ছন্দে তাৰ আগ বাঢ়ি যাওঁ
হাতে হাতে ধৰি সোহাগ জনাওঁ
ঢালি মৰলাসে প্ৰণয়ৰ ৰাগ
শীতলাওঁ আঁহা উতলা পৰাণ ॥

খুলি দিয়া প্ৰিয়ে, হিয়াৰ দুৱাৰ
মধু মিলনৰ উঠক জোৱাৰ
পুষ্পিত হক এই অভিসাৰ—
জীৱনৰ গাওঁ নৱ জয় গান ॥

৬

অকাল বসন্ত আজি জাগে
অশোক পলাশ মন্দাৰে হাঁহে
খল খল খল
গগন বিয়াপে—
আজি জাগে ॥

আজি উদে নৱ যৌৱন ৰবি
মুখৰিত কৰে আম্ৰ বননি
ভ্ৰমে মধুকৰ
মধু অভিলাষে—
আজি জাগে ॥

বৰষাৰ ঢল মেঘত লুকালে
তপ্ত তপনো পশ্চিমত বুৰে
পিনাকীৰো ধ্যান
আজি প্ৰিয়ে ভাগে—
আজি জাগে ॥

বিৰহৰ আজি চিৰ অৱসান
ৰচোঁ আঁহা প্ৰিয়ে মিলন কানন
প্ৰাণে প্ৰাণে মিলোঁ
চুম্বন ৰাগে—
আজি জাগে ॥

৩

প্ৰিয়া মোক আজি দিয়া বিদায়
উথলি উঠিছে দলিত পৰাণ
অজান পৰশ পাই—
আজি দিয়া বিদায় ॥

তুমালো তোমাৰ মিলিছে কোটীত
প্ৰণয়ৰ ঢৌৰে ধৰণী কঁপাই
মিলনৰ গান গায়—
অজান পৰশ পাই ॥

তোমাৰ বুকুৰ স্পন্দন মিলি
স্পন্দিত সউ যত নৰনাৰী
ৰিচাৰিছে মোকে হাঁয়
অজান পৰশ পাই ॥

শয্যা আমাৰ শ্যামল ধৰণী
নীলিম আকাশ মিলনৰ ঘৰ
আছে সউ বাটে চাই—
অজান পৰশ পাই ॥

আকুল আবেগে মূক পৃথিৱীয়ে
তোমাৰেই দৰে আপোন অজানে
দিছে হিয়া উদঙাই
অজান পৰশ পাই ॥

৮

মাধৱী বনত আজি অভিসাৰ
মুকলি বিশ্বৰ কঁৰলী কাটিছে
ভাহি যায় প্ৰেম পাৰাবাৰ ॥

বুকুত নামিছে ক'ৰ সুধাধাৰ
বিলাওঁ তোমাতে ছালি জাৰি হিয়া
শেষ কৰো নিখিল ক্ষুধাৰ ॥

অ'হা প্ৰিয় মোৰ আৰ্ত তৃষাৰ
জগত বুৰাওঁ প্ৰেমৰ ঢলেৰে
বুকুত উদয় নৱ সৱিতাৰ ॥

বই যক নদী এই মন্দিৰাৰ
উঠক নিনাদি গগনে পৱনে
মিলনৰ এই মধু ঝঙ্কাৰ ॥

৯

দূৰ দূৰণিত তুমি মোৰ কোন
গীতৰ লহৰে হিয়া ভাঙি যায়
মুখত উজলে শাৰদী জোন—
তুমি মোৰ কোন।

তোমাৰ বুকুৰ মৃদুল কঁপনি
বাজি যায় মোৰ বীণৰ তাঁৰত
অধীৰ কৰেহি অজানে সোণ
তুমি মোৰ কোন।

উৰা ভাঁহি হই অলকা কুঁৱৰী
ব্যথাৰ প্ৰতিমা আউলী বাউলী
সজল পদুমী নয়ন-কোণ
তুমি মোৰ কোন।

বিৰহৰ যুগ হল অৱসান
শীতৰে বুকুতে মাধৱী নামিছে
পূৰ্ণ কৰিব হিয়াৰ কোণ—
তুমি মোৰ কোন।
[*]

১০

ফাগুনৰ পছোৱা বা
বয়ে যা বয়ে যা
ভাঙি যা শীতৰে জড়তা—
ফাগুনৰ পছোৱা বা।

তন্দ্ৰা ভাঙ্গি যা
মোৰ কাননৰে—
পুৰাবে সঙ্গীত গা—
চেতনা আনি থৈ যা—
ফাগুনৰ পছোৱা বা।

তুলি যা মুক্তিৰ
বিজয় পতাকা
গছে গছে প্ৰাণে আঁকি দি যা
সপোন দেশৰ বাৰতা,
ফাগুনৰ পছোৱা বা॥

১১

চঞ্চলতা, চঞ্চলতা
ভেদি গভীৰতা
শুনাৱ আজি কি অজান বাৰতা
চঞ্চলতা।

পখিলাৰ পাখী—
গোলাপৰ পাহী
জোনবে মু'খনি চা—
সানিলে তাতো যে মাদকতা,
চঞ্চলতা, চঞ্চলতা,
শুনাৱ আজি কি অজান বাৰতা॥

লুইতৰ লহৰী
বগলিৰ উৰণি
কুলি কেতেকীৰ বা'

লগালি তাতো যে কিহবে বা,
চঞ্চলতা, চঞ্চলতা,
শুনাৰ আজি কি অজ্ঞান বাৰতা ॥

১২

গুৰু গুৰু ডম্বৰু
বাজে গিৰি কোলে
ৰুদ্ৰ নাচে তালে তালে
ত্ৰিশূল হাতে
অৰ্দ্ধচন্দ্ৰ জ্বলে ভালে
যোগেশ্বৰে নাচে তালে তালে ॥

প্ৰলয় নাচত নাচে দিগম্বৰে
কাম ভস্ম তালে তালে
ৰতি কান্দে
পৰাণ ভিক্ষা মাগে
ৰুদ্ৰ কিন্তু নাচে তালে তালে ॥

নৃত্য কৰে মহেশ্বৰে
অগ্নি বৃষ্টি ঢালে
কঁপি উঠে গিৰি হিমাচলে
জগত জ্বালে জালে,
ৰুদ্ৰ কিন্তু নাচে তালে তালে ॥

১৩

ৰঙা বগা সেউজীয়া পাত
চকৰি ঘূৰিলে তাত ঐ মইনা
চকৰি ঘূৰিলে তাত

লাহীকই হাতেৰে লাহেকই ধৰিবা
সপোনৰ সৰু ৰা পাত,
বুকুৰ স্নেহে টুপি দিলা টুকি টুকি
তেজেৰে বান্ধিলা বাট ॥

নওঠা ঐ ফকিৰে চকৰি ঘূৰালে
ৰচিলে মায়াৰে জাল,
নৱল ডেকা বুঢ়া বোৱাৰী জীয়াৰী
ৰালে মৰণৰে হাল ॥

তোমাৰ সাঁচনীয়া এই পাতেখিলা
নসৰি নেৰেলি ৰ'ল
আজি তুলি ধৰি যোৱা আগে বাঢ়ি
আউঁহী আঁতৰি গ'ল ॥

কচুপাতৰ পানী দেহা লটি ঘটি—
মাটিতে মিলিয়ে যায়—
জীৱনৰ চকৰি ঘূৰি থাকে মানে
পাতৰো মৰণ নাই ॥

১৪

আজি বেদনাৰ কাৰাগাৰ ভাঙ্গি নিলে
বিৰহৰ ঢউ সাগৰত ডুবিলে
ৰুণু ঝুণু ঝুণু-বসন্ত নাচিলে
পুলকতে মোৰ টোপনি ভাঙিলে ॥

সুৰুযৰে সউ জেউতি চৰিলে
সমীৰে পদুম আপুনি চুমিলে
থউকি বাথউ নাচে তালে তালে
শিৰে শিৰে মোৰ-বসন্ত জাগিলে ॥

সউ ফুলনিৰে বুৰ্ত্তি লতা জোপে
উলাহতে মোক আঁকোৱালি ধৰে
লাজ অভিমান আঁতৰি পৰিলে
ফুলে ফুলে মিলি মদিৰা ঢালিলে ॥

১৫

আজি আহিলে আকউ শাৰদী ৰাতি
শুনাব তোমাৰে গোপন আৰতি,
সুদূৰ হিয়াৰে মিলন পাতি—
—উতলা মনৰ যমুনা দাঁতি ॥

শেৱালি সুৰভি ৰাখিছোঁ যতনে
হিয়াৰে ডুবৰি দলিছা পাতি
আকুল সমীৰে মাৰিছে ছাটি—
শীতল বুকুৰে মাধুৰী বাকি ॥

জোনেনো শেৱালিক জনায় ধীৰে,
'তোমাৰ বুকুতে মোৰে যে জ্যোতি'
শেৱালিয়ে হালি জনায় নতি
মিলন-মুখৰ জোনালী ৰাতি ॥

চৰায় জেউতি শেৱালি পাহিতে
নিয়ৰে গোপনে মুকুতা আঁকি,
নিখিল ভুৱনে আমাকে মাতি
দিছেহি মিলন-অমিয়া বাকি ॥

১৬

আজি মোৰ কবিতা হেৰাল।
সাগৰ তলিত মুকুতা হেৰালে
জোনৰ বুকুত কালিমা লুকালে
হিয়া ভাঙি মোৰ বেদনা ওলাল,
আজি মোৰ কবিতা হেৰাল ॥

কবিতাৰ ভাষা কেওঁ নুবুজিলে
ছবিৰ ৰেখাত প্ৰাণ নুফুটিলে
শত মেঘদূত দূৰতে পলাল—
বুকুৰ বেদনা বুকুতে লুকাল ॥

দূৰ বননিৰ আঁজলী মুকুলে
অলিটিৰ ভাষা আপুনি বুজিলে
পাহে পাহে তাৰ সুৰভি ওলাল,
—মোৰ হৃদয়ৰ মাধুৰী শুকাল ॥

এটি কথা মোৰ তাকো নুবুজিলে
বুকুতে বাগৰি গগণ কালিলে,
অকাশৰে যে চকুলো ওলাল
মোৰ গগণৰ তৰাটি নোলাল ॥

১৭

নিশাৰ সপোন যমুনা আপোন
সোত হাহি তোলে যেনেকই—
ব'য়ে যা দিঠকলই
মাথোঁ বয়ে যা মাধুৰী লই ॥

ভৰা হৃদয়ৰ নুফুলি কমল
গোপনে বুকুতে কৰে সুবিমল
জোনৰে চুমাতে——শাৰদ নিশাতে
কৰিছে অধীৰ যেনেকই
ব'য়ে যা দিঠকলই
মাথোঁ ব'য়ে যা মাধুৰী লই ॥

সপোনৰে যত ফাগুন ফুলনি——
হিয়াতে ফুলে,
কত পখিলাই স্নেহ চুমা যাচে
হৃদয় দোলে,
ফুল পৰাগতে হিয়া গাঁথি যায়
ব্যথাৰে কুমাৰে——স্নেহ চুমা পায়
যদিও সপোন তেওঁতো আপোন

হাঁহি খেলি চুমা যাচি খই—
ব'য়ে যা দিঠকলই—
মাথোঁ বয়ে যা মাধুৰী লই ॥ *

* [ৰেকর্ড হৈছে]

১৮

টোপনি নাভাঙো প্ৰিয়া
এবাৰ মু'খনি চাবলে' দিয়া—
লালকাল তব দেহলতিকাৰ
মাধুৰী পিবলে' দিয়া—
টোপনি নাভাঙো প্ৰিয়া ॥

জোনাক যামিনী আজি যে কামিনী
পুলক জগায় প্ৰিয়া
নিদ্ৰা মগন বক্ষ দোলন
উশাহে নিশাহে—তৰুণ তোমাৰ হিয়া—
মাধুৰী পিবলে' দিয়া ॥

ৰঙীন আবেশ মুকলি সুকেশ
নিতাল নিঝুম ৰাতিটি প্ৰিয়া,
গোলাপী গালৰ সৰগ মাধুৰী
মৰুভূ হিয়াত—কঁপনি তুলি যে দিয়া,
মাধুৰী পিবলে' দিয়া ॥

সপোনে তোমাৰ—ৰূপহ চৰায়
মিচিকি হাঁহিয়ে—জেউতি ঢালি দি যায়,

বলিয়া আজি যে হিয়া—
মাধুৰী পিবলে' দিয়া—
টোপনি নাভাঙো প্ৰিয়া ॥

১৯

হাঁহি নাচি আমি আহিছোঁ—আমি আহিছোঁ
কৰিম তোমাক সকলো দান,
হিয়াৰো হিয়াৰ যত মধু আশা
গোপন বুকুৰ সুধাসনা ভাষা
তোমাতেই আজি হক অৱসান ॥

জোনৰ বুকুতে পাপিয়াৰ তান
অধৰত লই তৃষিত পৰাণ
চাপিছোঁ এচৰ চৰণে তোমাৰ
ৰূপে ৰঙে ৰসে ষোড়শোপচাৰ—
হিয়া ভৰি আজি প্ৰিয় কৰা পান ॥

থৰ হক জোন থৰ হক নিশা
দূৰ হক যত বিষাদৰ বান,
শেষ হক তাতে জগতৰ লীলা
উৰি যায় যক—জীৱন-পখিলা
প্ৰাণে প্ৰাণ প্ৰিয় কৰক পান ॥

২০

গাঁথিছোঁ হেপাঁহে এই মালাধাৰ
প্ৰেমৰ ডোলেৰে ফুল পাপৰিৰে
গোপন হিয়াৰো ৰাখি সুধাধাৰ ॥

পাহে পাহে আছে অৰুণৰ হাঁহি
প্ৰাণে তাতে দিছে আকুল পীৰিতি,
তোমাৰ কাৰণে আনিছোঁ যতনে
দৰদী হিয়াৰ এই উপচাৰ ॥

২১

মোৰ পৰাণৰ আকুল পিয়াহ
গুচা নাই, গুচা নাই,
অকণি হিয়াত অসীম প্ৰেমৰ
তৃষা মাথোঁ বাঢ়ি যায় ॥

যুগল হিয়াত অজানা বিৰহ
অভাৱৰো সীমা নাই,
ভাল পাওঁ মানে তৃষা নপলায়
আকুলতা বাঢ়ি যায় ॥

হিয়াই হিয়াই পান কৰোঁ সুধা
প্ৰাণে প্ৰাণে মিলি যায়,
আবেগৰ ঢউ বাঢ়ে ক্ষণে ক্ষণে
পাৰ তাৰ কেনি হেৰায় ॥

২২

অজান কুমাৰ, মোৰ পদূলিত
থমকি নিতউ
যোৱা কিনো চাই ?
দেখোঁ যে তোমাৰ খিৰ তুনয়ন
পুৰতী তুৱাৰ
মেলোঁতে সদায় ॥

ওঁঠত তোমাৰ কঁপি উঠা ভাষা
চকুটি পৰিলে
ওঁঠতে হেৰায়,
পলকতে ঘূৰি কেনিনো পলোৱা!
অবুজ সুৰেৰে
যোৱা কিনো গাই ॥

নিতে দেখি দেখি নবীন ৰূপত
অজানা আশাত
ৰঙ বাটে চাই,
সপোনতো মোৰ দিয়াহি নিজেই
জাঁই-যূতি-জবা
কোঁচত ভৰাই ॥

আহাৰ ডাৱৰে আকাশ বুৰালে
ছালি ধৰি নাচে
ময়ূৰ চৰাই,
তৃষিত হিয়াই মেলি দি তুৱাৰ
নেদেখি তোমাক
নিৰলে বিনায় ॥

২৩

তুমি যে মোৰ গভীৰ হিয়াৰ
মৃণাল মূলত
দিলাহি কঁপাই,

সৰসীৰে সমীৰতে
তুলি কিনো লহৰী
কোলাতেনো চুমিলা জোনাই
হিয়া মোৰ দিলাহি কঁপাই ॥

তুবৰিৰে মুকুতাতে
শৰতৰে শেৱালি
দিলা ছটিয়াই,

মোৰ হিয়া কমলকে
উষাৰেনো জ্যোতি আনি
দিলাহি ফুলাই,
নাচে তাতে পৰাণ ভোমোৰাই,
হিয়া মোৰ দিলাহি কঁপাই ।

শাৰদীয় সমীৰণে
তুলিছিলে সেইদিনা
পুলক জোৱাৰ,
মৃদুগন্ধ শেৱালিৰে
সুৰভি বিহাৰ ।
খুলি মোৰ হিয়াৰ দুৱাৰ ॥

ফুলে ডালে কদমৰে
ধাঁহীটিয়ে মাতি পাতে
সুৰৰ পোহাৰ,
বলুকাত যমুনাৰ
উঠিল জোৱাৰ,
গোপিকাৰ বুকুৰ সুধাৰ ॥

আকাশৰে জোনটিয়ে
পুখুৰীৰে কথা পাতে
অবুজ ভাষাৰ,
ভেঁট ফুলে তোলে মূৰ
সঁহাৰি পোৱাৰ,
ঢালি দিয়ে অমিয়া পূজাৰ ॥

ভঁহি যোৱা কুসুমৰে
স্মৃতি যাচোঁ আজি ধীৰে
হাতত তোমাৰ,
প্ৰিয় কবি কবিতাৰ
মালিকা ইধাৰ,
কৰি দিয়া পৰাণ উজাৰ ॥

২৫

নিভৃতে নিজানে সউ ছুনয়নে
কাক আছে বাটে চাই,
তনু পুলকিত অধৰ কম্পিত
মন্দ গমনে যায়—
কাক আছে বাটে চাই ॥
আঁখিৰ অবিৰ হৃদি জলধিৰ
কাক মাজত বুৰাই,

থউকি বাথউ প্ৰণয়ৰে ঢউ
তোলে আকুল হিয়াই,
কাক আছে বাটে চাই ॥
ক্ষণে পুলকিত ক্ষণে বিগলিত
ক্ষণে হুমুনিয়া হায়,
কেশৰ মালতী বুকুত সাবটি
সজল নয়নে চায়—
কাক আছে বাটে চাই ॥
সোলকে ভূষণ নচলে চৰণ
চকুৰো জেউতি যায়,
এৰি কৃশ কায় ধূলিত লুটাই
করুণ বিননি গায়—
কাক আছে বাটে চাই ॥

২৬

মধুৰ সপোন স্মৃতিৰ বাঁধোন
পুৰাতে স্থলকি পৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে ॥

কিশোৰ অৰুণ কিৰণ-ৰাজি,
পৰশি মম মৰ্ম্মৰে আজি,
দহিছে পৰাণ বাড়ৱ সমান
তপ্ত চকুলো জৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে ॥

শোণিত বৰণে নিখিল ভুৱনে
প্ৰকাশি বেদনা মোৰে,
স্তব্ধ ৰোদন ক্ষুব্ধ নয়ন
চৰণ অচল কৰে ॥
বিফল নিঠুৰ পূৰবী তানে
নবীন হৃদয় কমল হানে ।

মানস গগণ গৰজে সঘন
দাৰুণ বেদনা ভৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে ॥

২৭

কোন সুদূৰত আছে মোৰ প্ৰিয়া
আছে মোৰ প্ৰিয়া— ।
দূৰণি বটীয়া—
আকুল কৰিলে হিয়া—
সুদূৰত আছে প্ৰিয়া ॥

উঠে সউ পশ্চিমত ডাৱৰ কলিয়া
অকাৰণ বিয়াকুল কৰে মোৰ হিয়া,
অকল শৰীয়া—
সঙ্গ মোৰ বিৰহৰ মাথোঁ হুমুনিয়া ।—
সুদূৰত আছে প্ৰিয়া ॥

অকল শৰীয়া
দূৰণিবটীয়া !
নাৱো টুলুঙা উকঙা মন-নাৱৰীয়া

ডাঁৰ নাই আছে সউ ডকা চাকেনৈয়া—
সুদূৰত আছে প্ৰিয়া ॥

এই যে সন্ধিয়া—
মন ভাৱৰীয়া—
সমুখত এন্ধাৰৰ গৰা খহনীয়া
বিষাদৰ বননিত মই চৰণীয়া
সুদূৰত আছে প্ৰিয়া ।
এই যে সন্ধিয়া—উৰণীয়া হিয়া ॥

২৮

আজি প্ৰিয় পালোঁ তোমাৰ প্ৰথম লিপিকা,
অতি সুগোপনে লিখা—
আখৰে আখৰে জ্বলে প্ৰণয়ৰ শিখা
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

আজি মেঘৰ বুকুত জ্বলা বিজুলীৰ ৰেখা
সেউজীয়া ধৰণীত হিমকণা গঁথা,
সকলোতে উঠে ভাহি তোমাৰেই লেখা—
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

জোছনাৰ যামিনীত
শৰতৰ ফুলনিত
সমীৰে জনায় যত অকপট কথা
তাতো প্ৰিয় উঠে ফুটি তোমাৰেহে ভাষা,
পাই মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

তোমাৰ বুকুত জ্বলে যিটি দীপশিখা
সিয়ে মোৰ পৰাণৰ কোমল সৰিতা,
কিৰণ মাধুৰী আনি উতলায় হিয়া!
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

২৯

কুঞ্জে মোৰ সাধনাৰ—
দান বিধতাৰ—
ৰচনা নিপুন অলি গুণ গুণ স্বৰ—
বয় বসন্তৰ জুৰি দৰদৰ ॥

কোকিলৰ সুধাসুৰে—
হিয়াখনি পূৰে,
চিত্ত আকুল প্ৰাণ বিয়াকুল শৰ—
—কঁপে অনন্তৰ ফুল থৰথৰ।
বয বসন্তৰ জুৰি দৰদৰ ॥

বিজুলী চমৎকাৰে
মোৰ কাননৰে
ভাঙি ডালডুল নাশি যত ফুল কৰ—
বয় বিৰহৰ চল শাওনৰ—
নাই বসন্তৰ জুৰি দৰদৰ ॥

শূন্য কানন মোৰ—
উদাস আতুৰ—
তিমিৰ গগণ শূন্য পৰাণ জড়
নাই বিধুৰাৰ অৰ্থ জীৱনৰ,
নাই বসন্তৰ জুৰি দৰদৰ ॥

১০

মোৰ হিয়াৰ নভত উদিছে তৰা
জিকিমিকি তাৰ জেউতি ভৰা
সাত সৰগৰ ৰূপৰ লহৰ
আনি দি হঠাৎ আকুল কৰা ।—
চকুত কিহৰ পুলক ভৰা ॥

মোৰ চকুত নতুন আবেশ-ক্ষৰা
ধৰণীত তাৰে ৰহণ চৰা,
পতুম বনৰ মুকুতা জলৰ
ৰূপত উতলা নয়ন হৰা,
ব্যথাৰ বাঁধি সুদূৰ কৰা ॥

মোৰ ব্যথাৰে গোলাপ ৰাঙলী পৰা,
তাৰো পৰাগত মদিৰা ভৰা,
ছাঁচনা হানাৰ মৃদুল পৰশে
সজায় এখনি বাউলী ধৰা
হাঁহিত জগত মুখৰ কৰা ॥

মোৰ হাঁহিত চকুৰ লোতক জৰা
বীণত সুৰৰ মাধুৰী ক্ষৰা
কোন গহনৰ অচিন জনৰ
মিলন মোহত অধীৰ কৰা,
উদিছে হিয়াত একেটি তৰা ॥

৩১

আজি স্মৃতিৰ বনত জ্বালি দিয়া জুই
কৰক সকলো ছাঁই,
অতীত মৰিল সপোন ভাগিল
মায়াৰ কুঁৱলী নাই -
হওক সকলো ছাঁই ॥

আজি পুৰি দিয়া যত আকাশ কুসুম
নুফ্‌লা পতুম
হওক মাটিতে লয়—
সপোন দেউল কৰি দিয়া গুৰি
হব কি থাকিলে চাই—
হওক সকলো ছাঁই ॥

আহক ধুমুহা আহক বৰষা
কঁপক ধৰণী বজ্র খাই,
অস্থি ভস্ম সেই অতীতৰ—
দিয়া উৰুৱাই—দিয়া উটুৱাই
হব কি থাকিলে চাই—
হওক সকলো ছাঁই ॥

আজি দ্যুলোকে ভূলোকে উঠক নিনাদি
"ব্যথাৰ স্থিৰিতি নাই"—
সমুখত মাথো নগ্ন দিঠক
সুদূৰ বিশাল ঠাই—
অতীত ক'তোৱে নাই—
হওক সকলো ছাঁই ॥

৩২

ৰূপৰ জোৱাৰ উঠিছে নভত
মনত অন্ধকাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ।

যুগল পখীৰ নিবিড় আবাস
হাছনা হানাৰ উতলা সুবাস,
পদুম বুকুত জোনৰ পোহৰে
হানিছে বাৰম্বাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ?

বলিছে শাৰদী শীতল সমীৰ—
তৰু-তৃণ-লতা কৰিছে অধীৰ—
ধৰাত নামিছে ৰূপৰ সাগৰ—
হেৰায় পাৰাপাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ,
কিহৰ অহংকাৰ ?

গুমৰে হিয়াত কত মধু আশা
বীণৰ তাঁৰত নুঠে ফুটি ভাষা
বুকু ফাটি যায় কথাটি নোলায়
মোৰ যে ৰুদ্ধ দ্বাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ?

৩৩

মোৰ অতীতক তুমি নকৰিবা অপমান,
সি যে মোৰ বৰ্ত্তমান ।
উশাহে নিশাহে প্ৰতি শিৰে শিৰে
বইছে শোণিত তাৰে
গাই অতীতৰে গান ॥

ব্যথাহত মোৰ বিয়াকুল প্ৰাণ
ই-যে স্মৃতিৰ শ্মশান,
তাৰেই পোহৰে পথ ৰচে মোৰে
জনায় লোতক ধাৰে,
সুদূৰৰ আহ্বান ॥

অতীতত ৰচা মিলনৰ গান
আজি সাৰথি সমান,
ভাঙি গঢ়ি মোৰ জীৱন পদুম
উন্মনা কৰি বাৰে বাৰে
তুলিছে সুৰৰ দি তান।

মোৰ বুকুভেদি ৰয় স্মৃতিৰ কৃপাণ
—এয়ে মোৰ অভিমান,
তিলে তিলে ঢালি শোণিত বুকুৰ
ৰচিম কাৰেং মোৰে—
ভাঙি দিঠক পাষাণ ।

৩৪

কদম ছাঁয়াত প্ৰিয়ৰ কোলাত
ৰূপহ তোমাৰ মু'খনি
মুকলি সুকেশ অলস সুবেশ
বুকুত মৃদুল কঁপনি—
ৰূপহ তোমাৰ মু'খনি ॥

ঢুজুৰি চকুত কথাটি গুপুত
অথিৰ যুগল চাৱনি
প্ৰিয়ৰ অধৰ চাপিছে ওচৰ
বুকুত জ্বলিছে অগনি ।
অথিৰ যুগল চাৱনি ॥

ৰূপহ উশাহে ফুলৰ সুবাসে
বিতৰে মধুৰ কাহিনী,
জোনাক যামিনী ক্লান্ত হাৰিণী
মোহত তাতেই বন্দিনী ।
বিতৰে মধুৰ কাহিনী ॥

হাঁহিৰ লহৰে যমুনা বাগৰে
কৰিছে জোনকে কামিনী
আকাশ বলিয়া জৰিছে অমিয়া
ঢালিছে শীতল বাৰিণী
কৰিছে জোনকে কামিনী ।

৩৫

মই বনৰীয়া ফুল এলাগী বনৰ
আপোন আভাত আপুনি মুখৰ
অকলশৰীয়া একণি ফুলৰ
কোন মালাকৰ চাপিব ওচৰ ॥

মোৰো যে পাহিত সমীৰ লাগে
অকণি হিয়াত পুলক জাগে।
কোন সুদূৰৰ আহে মধুকৰ
দিয়েহি পৰশ তপত বুকৰ ॥

মোৰ সুৰভি ঝাগৰি বনতে শুকায়
পখিলাই মোকো পাহৰি নাযায়।
ৰূপৰ ভৰত হওঁ যে কাতৰ,
তৰুৰ ছায়াই ধৰেহি চামৰ ॥

শাৰদী জোনৰ কিৰণ লাগি
অজান ৰাতিৰি— উঠিছে জাগি।
পাহে পাহে মোৰ তাৰেই লহৰ
মধুৰ খেণক কৰিছে অমৰ ॥

৩৬

তুমি মোৰ সপোনৰ আকাশৰ
ডাৱৰ ডবা,
মই তাত চিকিমিকি বিজুলী
বাগৰি ফুৰা,—

তুমি মোৰ মন্মো যে তোমাৰ
আঁতৰে আঁতৰে দেখি নয়ন-হৰা ॥
তুমি মোৰ সুনীলিম গগণৰ
একোটি তৰা,
মই তাত পোহৰৰ লহৰী
নাচোনে ভৰা,
আবেগৰ আৰতি সদায়
তোমাক গোপনে যাচোঁ হৃদয়-ক্ষৰা ॥
তুমি সুৰ বিয়াকুল বতাহত
উফৰি ফুৰা,
মই তাত আবেশৰ মাধুৰী
চেতনা হৰা,
তুমি মোৰ পদ্ম পূজাৰ,
প্ৰথম প্ৰভাতে দিয়া কৰণি-ভৰা ॥
তুমি মোৰ হৃদয়ৰ সাগৰৰ
মুকুতা ডৰা,
মই তাত অকাতৰ জহুৰী
বুটলি ফুৰা,
জনমৰ ষোড়শোপচাৰ —
তোমাৰ কাৰণে যাচোঁ সাদৰে ভৰা ॥

৩৭

অকলে আপুনি নিৰলাতে
গাওঁ গীত বিৰহৰ উদাস সুৰে
গাথোঁ সপোনৰ ফুলহাৰ
অলস হাততে সিও সুলকি পৰে ॥

উদাস নয়ন মোৰ লোতক জৰে,
অচিন জনৰ স্মৃতি মনত পৰে,
ডিঙি ভাঙি ভাঙি গাওঁ আকুল সুৰে,
অজান প্ৰিয়ৰ জানো কাণত পৰে ॥

চেতনা হেৰায় ৰাগিণীতে
সজাগ জগত মোৰ সুৰতে বুৰে,
সুৰৰ তানতে ভাহি উঠা
প্ৰিয়ৰ ছবিয়ে মোক বিভোৰ কৰে

তুহাতে সাবটি ধৰোঁ বুকুত ধীৰে
সুৰৰ আঁৰতে থাকি হৃদয় জুৰে,
অধৰে অধৰ মাগে প্ৰাণৰ ভৰে.
সুৰটি হেৰায়, ছবিও আঁতৰি পৰে ॥

৩৮

জগত সভাৰ সুৰৰ পূজাত
ময়ো যে অচিন পূজাৰী,
প্ৰথম তানত কলং পাৰত
উঠিছে পৰাণ মুঞ্জৰী
ময়ো যে অচিন পূজাৰী ॥
ৰূপালী বনৰ কঁহুৱা ফুলৰ
নাচিছে পৰাণ উজাৰি
চেৰত তোৰেই চৰণ চলায়
লাহতী গাঁৱৰ জীয়াৰী—
নাচিছে পৰাণ উজাৰি ॥

সোণালী ধানৰ বুকুত অজ্ঞানে
লাগিছে সুৰৰ লহৰী,
খমকি দাৱনী শুনিছে ৰিণিকি
পেঁপাত প্ৰাণৰ সঁহাৰি,
উঠিছে সুৰৰ লহৰী ॥
পানীৰ ঘাটত কোমল শিশুৰ
উঠিছে খেলাৰ জাঁউৰি,
সুৰত তা..ই ৰূপহী জীয়াৰী
ভৰায় কাষৰ গাগৰি,—
উঠিছে খেলাৰ জাঁউৰি ॥

৩৯

মৰণ বাণাত আজি উঠে তান,
গুৰি কৰি তোৰ যত অভিমান।
জগত বুকুত তোৰ দুদিনৰ লীলা
হ'ল অৱসান,
আপোন হাতেৰে গঢ়া ভৱনতে তোৰ
নাই আজি স্থান ॥
বুটলি নিতউ ফুৰি জগতৰ যত
সোণ ৰূপ মান,
কত হাবাথুৰি খাই ফুৰিলি অকলে
শুনি যশ গান।
এয়ে আজি তোৰ শেষ পৰিণাম,
মটিৰ লগতে তয়ো হলি যে সমান।

গগন কঁপাই উঠে চাৰিদিশে তোৰ—
ব্যথা ভৰা তান,
স্নেহৰ জগতে তোৰ পালেনেকি এযে
শেষ সমিধান।
চকুত বাগৰে অশ্রুৰ বান,
গ্রহণ অতীত তোৰে এই দান ॥

৪০

লুইতৰ বুকু ফালি সোণালি অ' যো নবাই
গহীন দুপৰ ৰাতি,
লাহতে নাচি'ল ঢউতে বাগাৰ
কঁপালি পানীৰে দাঁত ॥

লুইতৰে হিয়া নামি জুখি চালি
পীৰাত বলিয়া ৰাতি,
উতলা বুকুতে নিচকে বিলালি
হিয়াতে লভিলি শাঁত ॥

ওপৰে উৰিলে পাগলা কেতেকী
'বউ তই কথা ক'— মাতি,
লাজতে টানিলি কলীয়া ওৰণি
লুইতো পেলালি ঢাকি ॥

চকুৰে পানীৰে ভিয়ালি ওৰণি
নোলালি আৰু ঐ ৰাতি,
পূবৰে অৰুণে লুইতক জগালে
ৰাঙলী হাঁহিৰে মাতি ॥

৪১

অ' বাই শিপিনী
নগৰত তৰিলি তাঁত ॥
পাঁজি সেৰা সেৰে মিহিকৈ কাটিলি
চলালি খৰেকৈ হাত,
নিশাতে সিজালি নিশাতে লেটালি
থাউনি নায়ে তোৰ গাত ॥
জেতুকা পাতেৰে সূতাকে বোলালি
পাৰীতে লগালি তাক,
পুৱাতে কাঢ়িলি ছেলেঙে ছকাঠি
পলকত ভৰালি ৰাচ ॥
খিতাতে তুলিলি বও চাৰি বাটি
শালতো বান্ধিলি তাঁত,
পাটতে বহিয়ে মহুৰা ফুৰালি
এৰিলি সাজৰে ভাত ॥
মাকোটি মাৰিয়ে ফলকে বাছিলি
চানেকীত নিদিলি হাত,
গধুলি বেলিকা উঠি মূৰে তুলি
তোলোঠাত লেখিলি পাক ॥

৪২

অ' পখিলি
কিহৰ লাহত ফুলৰ মাজত
তই নাচিলি,
অ' পখিলি ! কিয় নাচিলি ?

তগৰ ফুলক কলি কি কথা
যূতি-লতিকাক দিলি কি ব্যথা,
সেউতী পাহিত পৰিয়ে আকউ—
কিয় আহিলি ?
অ’ পখিলি ! কিয় নাচিলি ?

আধা ফুলা সউ গোলাপতে
চুমা যাচি থই তিলেকতে
দেও দি পোনেই জঁাই লাহতীৰ
বুকুত সোমালি ?
অ’ পখিলি ! কিয় নাচিলি ?

সাত ৰঙেৰে বোলাই পাখি
ফুলত তাৰেই ৰূপহ বাকি
আজলীহঁতক ৰূপত বলিয়া
কিয়ে কৰিলি ?—
অ’ পখিলি ! কিয় নাচিলি ?

৪৩

হেৰ বাটৰুৱা
চায়ে যা ৰূপালী বাট ॥
ধেনুৰে ভিৰীয়া কৰে দূৰণীয়া
উৰে ৰাজ হঁাহে জাক,
বলিছে সন্ধিয়া জুৰকৈ মলয়া
কৰি যা দেহাটি শঁাত ॥

ৰূপে বিনন্দীয়া মনে উৰণীয়া
মাতে কি অমাতৰ মাত,
ধীৰেকৈ ডেউকা মাৰি গুৰি বঠা
বিচাৰে মেঘৰে ঘাট ।
ৰূপৰে ভিখাৰী চকুৰে বিচাৰি
ফুৰে অই মেঘৰে গাত,
সোণালী বিজুলী হঠাতে উজ্বলি
চকুতে মাৰিলে চাঁট ॥

৪৪

কপিলীৰ বুকুতে নাচিলে লহৰী
কলঙত মাৰিলে চাঁট,
মিকিৰৰ ছাঙৰে নামে বৰপানী
কিলিঙে মিলালে হাত । (অ' নাচনী)
ওপৰে উৰিলে ৰাজ হাঁহ এজুৰি
দিয়ে গল এষাৰি মাত,
খাগৰি জানতে গাভৰু জুৰিয়ে
পাতিব বিহুৰে হাট ।
পৰ্বতৰ জীয়াৰী নামে জাকে পাতি
থলৰে ভেঁটি লই বাট,
মেঘৰ চাপৰতে উতলা হলে অই
মাৰে নাচোনৰে পাক ।
লুভীয়া লুইতে কাষলই চাপিলে
নমনি পাৰৰে ঘাট,
নাচনীৰ বিহাতে ধৰে থাপে মাৰি
নামানে কাৰোৰে হাক ॥

৪৫

আকাশৰ বুকুতে মেঘে গৰজিলে
কপিলীত পৰিলে ঢৌ,
খাননিৰ মাজতে বাউলী দাৱনী
জুকলি জুপুৰি গা। (অ' বাৰিষা)
গছতে বিনালে বনৰে চৰায়ে
ভঁৰালো ভাঙিলে চা,
কোলাৰে কেঁচুৱা নিয়ে উটুৱাবে
বুকুতে দিয়ে ঐ ঘা।
বনৰে হৰিণী আজলী পোৱালী
পালেৰে উঠিলে চা,
জোনায়ে দুখতে মেঘতে লুকালে
কাকৰো নুশুন কা।
কপিলী পাৰতে ৰূপালী সাগৰে
উলাহত নচালে গা,
হিয়া ভাঙে ভাঙে উঠে ঐ বিনালি
ব'লে বিষাদৰে বা॥

৪৬

পৰ্ব্বততে ফুলিলে সোণাৰুৰে থোপামণি
সানিললে হেঙুলীয়া বোল,
বাৰীতে ঐ ফুলিলে সোণৰ চঁপা-কলি
গোন্ধতেনো আমোল মোল॥
চাপৰতেনো ফুলিলে কাঁইটীয়া কেতেকী
পদূলিতে নাহৰৰে ফুল,

তগৰেনো মালতী নাচে হালি জালি
উলাহতে অলি বিয়াকুল ।
আমনিৰ মাজতে কুলিটিয়ে মাতিলে
চেনেহৰে গাঁথি গ'লে ডোল,
জানাবাযে চৰিলে লিহিৰি অ'ই বনতে
ভেঁটে কলি যাচিলেহি ফুল ।
বননিতে চৰিলে শৰেকই ভেলেঙী
আকাশৰে বলিয়াকৈ বোল,
ক'ৰে পানী পিয়া উৰ মাতি গলে
থ'য়ে ভাঙি নতৰে ভুল ॥

৪৭

কোনে ক'ই গল কাণে কাণে
মোৰ টোপনিত মনে মনে,
মোৰেই ভাবত দূৰত মগন
নোদেখা দেশৰ ফুফুলা বদন—
—আপোন অজানে ।
সেই দেশৰেই বনে বনে
ফুলে ফুলে অই ঘনে ঘনে,
তাত মেলিলেই সকলো সপোন,
তেওঁতো সেয়েই সবাৰে আপোন,
—কৰ কি মায়া জানে ॥
সেই ফুলৰেই গানে গানে
হৃদয় নাচে তানে তানে,

তাল ভাঙিলেই সকলো বাঁধোন
এৰি দি পলায়, তেওঁতো আপোন
—আমাৰ কাৰণে ॥

৪৮

কোনে মোক কৰে বিয়াকুল
ফুলে কি হিয়াৰ ফুল,
ভাঙি সাধনাৰ ভুল
ফুলে কি হিয়াৰ ফুল ॥

আকাশতে তৰাৰ থূল
তিৰবিৰ বিয়াকুল
মোৰ বেদনাৰে হুল,
ফুলে কি হিয়াৰ ফুল ॥

প্ৰাণৰে হেৰায় কুল
বলিয়া কি বিয়াকুল
শিৱৰ ভাঙি দি ভুল,
ফুলে কি হিয়াৰ ফুল ॥

ক'ত ফুলে উমা ফুল
ক'ত হেৰায় তিনি শূল
জঁটাৰ ভাঙিলে ভুল—
ফুলে কি হিয়াৰ ফুল ।

৪৯

প্ৰথম ছোৱালী— "উৰে ফুলৰ ৰেণু
কোনে বজায় বেণু
অ' সখি শেৱালি,
কদম তলত আজি ?"
দ্বিতীয়— "ধেনু চৰায় যি ।"
প্ৰথম— "নাচে কোনে হাঁহি মাতি,
উৰায় যমুনা বালি
অ' সখি শেৱালি,
শাৰদী ৰাতি আজি ?"
দ্বিতীয়— "পৰাণ বান্ধব যি ।"
প্ৰথম— "কৰে লৱণু চুৰ
ঠগায় নন্দৰ পুৰ,
অ' সখি শেৱালি
পলায় কোনে আজি ?"
দ্বিতীয়— "কানাই কলিয়া যি ।"
দুয়ো— "বননিতে চৰে ধেনু
কদমতে বাজে বেণু
অ' সখি নিশাৰি,
ধৰিম আঁহা আজি,
আকুল কৰে যি ।"

৫০

পাভৰু শেৱালি সাজোঁতে কাচোঁতে
জোনেনো মাৰিলে উঁকি,
ৰূপালী হাতেৰে আঁকোলি ধৰিলে
কথাটি কলেহি চুপি ॥

'সাদৰী সখী মোৰ চিৰ জনমৰ
তুমি যে মোৰেই সখী,"
শেৱালিয়ে হালি 'নহয়' বুলিলে
"তুমি যে দূৰৰ অতি।"
ফুলৰে মাজতে জোনটি সোমালে
আকুল প্ৰাণেৰে নাচি,
"ডাৱৰ ভূৱৰী আঁতৰাই সখি
চুমাটি দিছোঁহি যাচি॥"
শেৱালিৰ তনু ভাগৰি পৰিলে
সমীৰে দিলেহি বিচি,
উষাই দূৰতে মিচিকি হাঁহিলে
দিলেহি কিৰণ সিঁচি॥

---

৯ নং গানটো শ্ৰীমতী আৰতি শৰ্মাই আৰু ১৭ নং গানটো শ্ৰীযুত ধীৰেন দাসে ৰেকৰ্ডত গাইছে। বাকী ৰেকৰ্ড কৰা গানবোৰ ইয়াত দিয়া নহ'ল।

১১	নং	গানত	'সানিলে'ৰ	ঠাইত	'সানিলি'	হ'ব।
১৯	,,	,,	'অনন্তৰ'ৰ	,,	'অন্তৰৰ'	হ'ব।
৩৪	,,	,,	'ক্লান্ত'ৰ	,,	'ক্লান্তি'	হ'ব।
৩৬	,,	,,	'একোটি'ৰ	,,	'একেটি'	হ'ব।
৩৮	,,	,,	'মুঞ্জৰী'ৰ	,,	'মুঞ্জৰি'	হ'ব।

-পাঠচক্র-

হয়বৰ গাওঁ পোঃ

নগাওঁ-অসম।